**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰসংঘই সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰা পাকিস্তানৰ লস্কৰ এ তৈয়ৱা আৰু জেইছ্ ই মহম্মদৰ দৰে গোটসমূহক আফগানিস্তানৰ ভূমি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰাত বাধা প্ৰদানৰ বাবে গোলকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভাৰতে আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি পালন কৰা সেৱা সপ্তাহৰ অংশ হিচাপে অসমৰ সকলো জিলাতে ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে।

৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আয়কৰ আইন আৰু সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাত যথেষ্ট সংস্কাৰ হোৱা বুলি প্ৰকাশ কৰিছে।

৪। ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধুৱে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব।

০০০০

ৰাষ্ট্ৰসংঘই সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰা পাকিস্তানৰ লস্কৰ এ তৈয়ৱা আৰু জেইছ্ ই মহম্মদৰ দৰে গোটসমূহক আফগানিস্তানৰ ভূমি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰাত বাধা প্ৰদানৰ বাবে গোলকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভাৰতে আহ্বান জনাইছে। কালি অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠকত ৰাষ্ট্ৰসংঘৰ ভাৰতৰ স্থায়ী ৰাষ্ট্ৰদূত পৰ্বতনেনি হৰিশে আফগানিস্তানৰ সন্ত্ৰাসবাদী শোষণ ৰোধ কৰাৰ বাবে গোলকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ভাৰতে আফগানিস্তানৰ সুৰক্ষা পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। ভাৰতৰ স্থায়ী ৰাষ্ট্ৰদূতগৰাকীয়ে কয় যে ভাৰতে আফগানিস্তানক সহায় কৰাৰ বাবে সদায় আন্তৰাষ্ট্ৰীয় আৰু আঞ্চলিক সহযোগিতাৰ পোষকতা কৰি আহিছে। আফগানিস্তানে ২২ এপ্ৰিলত সংঘটিত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়া কাৰ্যৰ প্ৰতি ভাৰতে আদৰণি জনাইছে। শ্ৰীহৰিশে অকল তালিবানক শাস্তি প্ৰদান কৰিলে কোনো লাভ নহব বুলি সঁকিয়াই দিয়ে। আফগানিস্তানৰ জনসাধাৰণৰ সহায়ৰ বাবে নতুন আৰু সৃষ্টিশীল উপায় অৱলম্বন কৰিবলৈ তেওঁ আহ্বান জনায়। এই মাহৰ আগভাগত আফগানিস্তানৰ দক্ষিণ পূৱ প্ৰান্তত অহা বিধবংসী ভূমিকম্পৰ কথা উল্লেখ কৰি ভাৰতীয় কটকী গৰাকীয়ে কয় যে বিপদৰ এই মুহুৰ্তত দেশখনক প্ৰথমে সহায় আগবঢ়োৱা দেশসমূহৰ ভিতৰত ভাৰত অন্যতম। আফগানিস্তানৰ জনসাধাৰণক সহায় আগবঢ়োৱাৰ ভাৰতৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত কোনো আপোচ

কৰিব পৰা নাযায় বুলি শ্ৰীহৰিশে মন্তব্য কৰে। তেওঁ কয় যে ভাৰতে আফগানিস্তানৰ পুনৰ নিৰ্মাণত সহায়ৰ বাবে মানৱীয় সাহায্য আৰু প্ৰশিক্ষণ কাৰ্যক্ৰমত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি পালন কৰা সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ সকলো জিলাতে ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগে অসম ৰাজ্যিক ৰক্ত সঞ্চৰণ পৰিষদৰ সহযোগত আয়োজন কৰা ৭৫ টা ৰক্তদান শিবিৰত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ চৰকাৰী বিষয়া, কৰ্মচাৰী, নাগৰিক সমাজ সংস্থাৰ প্ৰতিনিধি আৰু সাধাৰণ ৰাইজ স্বেচ্ছাই ৰক্তদানৰ বাবে আগবাঢ়ি আহিছে। এই অভিযানৰ অধীনত বৰ্তমানলৈকে ৩ হাজাৰ ১৬৭ ইউনিট তেজ সংগ্ৰহ কৰা হৈছে। সেৱা সপ্তাহৰ লগত সংগতি ৰাখি আজি ৰাজ্যৰ গাওঁ, নগৰসমূহত ৩০ লাখৰো অধিক গছপুলি ৰোপণ কৰা  হ'ব।

০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। সেৱা পৰ্ব প্ৰতিবেদনলানিত আজি আমি মোদী চৰকাৰে কৃষি খণ্ডত কিদৰে পৰিৱৰ্তনৰ সূচনা কৰিছে আৰু কৃষকসকলক সৱল কৰি তুলিছে সেই বিষয়ে কবলৈ ওলাইছো।

**প্ৰতিবেদন ঃ**

কৃষি দেশৰ অৰ্থব্যৱস্থা আৰু সংস্কৃতিৰ ৰাজহাড় স্বৰূপ। দেশৰ এতিয়াও লাখ লাখ পৰিয়ালে কৃষিকে মূল জীৱিকা হিচাপে লৈ বৰ্তি আছে। ভাৰতে স্বাধীনতা লাভৰ অমৃত কালত প্ৰৱেশ কৰাৰ সময়ত সৱল খেতিয়কসকলে দেশক খাদ্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ পৰা অগ্ৰণী স্থিতিলৈ লৈ যাবলৈ সাজু হৈছে। বিগত এঘাৰ বছৰত কৃষি মন্ত্ৰালয়ৰ বাবে বাজেটত আৱণ্টিত ধন প্ৰায় ২২ হাজাৰ কোটিৰ পৰা ১ লাখ ৩৭ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি স্বাধীনতা দিৱসত ঐতিহাসিক লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া  ভাষণত খেতিয়কসকল চৰকাৰৰ বাবে বৃহৎ অগ্ৰাধিকাৰৰ বিষয় বুলি আৰু খেতিয়কৰ স্বাৰ্থৰ সৈতে কোনো কাৰণতে আপোচ কৰা নহয় বুলি উল্লেখ কৰিছে। চৰকাৰে কৃষকৰ স্বাৰ্থ সুনিশ্চিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি বিগত এঘাৰ বছৰত খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য ৮১ শতাংশৰ পৰা ২২৬ শতাংশলৈ বৃদ্ধি কৰিছে। একেদৰে খেতিয়কসকলৰ বিত্তীয় সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি মুকলি কৰিছে। এই আঁচনিৰ অধীনত যোৱা ছবছৰত ৩ লাখ ৯০ হাজাৰ কোটিৰো অধিক টকা বিতৰণ কৰা হৈছে। ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ মান্ধন যোজনাৰ অধীনত মাহিলী ৩ হাজাৰ টকাৰ পেঞ্চন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ২৫ লাখ খেতিয়কে এই আঁচনিত নাম পঞ্জীয়ন কৰিছে। খেতিয়কসকলৰ বাবে ঋণ, সুলভ আৰু সহজলভ্য কৰি তোলাৰ উদ্দেশ্যে কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ সৰ্বোচ্চ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ১০ লাখ কোটি টকা প্ৰদান কৰা হৈছে। কৃষক কল্যান আৰু খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে প্ৰৱৰ্তন কৰা আন কেইখনমান লেখতলবলগীয়া আঁচনিৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা, কৃষি আন্তঃগাথনি পুঁজি, প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰ, ৰাষ্ট্ৰীয় কৃষি বিপনী ই-নাম অন্যতম।

০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আয়কৰ আইন আৰু সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাত যথেষ্ট সংস্কাৰ হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত পি এ এফ আই বাৰ্ষিক মঞ্চত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে সামগ্ৰী আৰু সেৱা কৰ পৰিকাঠামোত নতুন ৰূপ দিয়া হৈছে আৰু ইয়াৰ ফলত নিত্য ব্যৱহাৰ্য ঘৰুৱা সামগ্ৰী আৰু কৃষিজাত সামগ্ৰীসমূহ বহনক্ষম হৈ উঠিছে। সামগ্ৰীৰ মূল্য হ্ৰাস পালে চাহিদা বৃদ্ধি পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ৰে'ল যাত্ৰীসকলৰ সুৰক্ষা সন্দৰ্ভত শ্ৰীবৈষ্ণৱে কয় যে ৰেল বিভাগে সুৰক্ষা বিষয়ক প্ৰকল্পৰ বাবদ বছৰি ১ লাখ ৩০ হাজাৰ কোটি টকা ব্যয় কৰে। তেওঁ কয় যে চৰকাৰৰ নিৰন্তৰ প্ৰয়াসৰ বাবে বছৰত সংঘটিত ৰেল দুৰ্ঘটনাৰ সংখ্যা ২০১৩-১৪ চনৰ ১৭০ ৰ পৰা ৩১ লৈ হ্ৰাস পাইছে। চৰকাৰে প্ৰযুক্তি আৰু তদাৰক ব্যৱস্থাৰ উন্নয়নত যথেষ্ট ধন বিনিয়োগ কৰিছে বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

০০০০

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনত ৰাজনৈতিক কাৰ্যকলাপ বৃদ্ধি পাইছে। জনতা দল ইউনাইটেডৰ সভাপতি তথা মুখ্যমন্ত্ৰী নিতিশ কুমাৰে আজি জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত বিজেপিৰ ৰাজ্যিক সভাপতি ড° দিলীপ জয়ছোৱাল, জে দি ইউৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা, উপ মুখ্যমন্ত্ৰী সম্ৰাত চৌধুৰী, বিজেপিৰ বিহাৰৰ দায়িত্বত থকা বিনোদ তাওৰে, জ্যেষ্ঠ জে দি ইউ নেতা তথা মন্ত্ৰী বিজয় কুমাৰ চৌধুৰী আৰু অন্যান্য জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। সূত্ৰ অনুসৰি জে দি ইউ আৰু বিজেপিৰ শীৰ্ষ পৰ্যায়ৰ নেতাসকলে বৈঠকত বিহাৰ বিধানসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰে। বিহাৰত ৰাজনৈতিক কাৰ্যকলাপে গতি লাভ কৰাৰ লগতে এন ডি এ মিত্ৰজোটৰ নেতাসকলে আসন বুজাবুজিৰ সন্দৰ্ভত বিভিন্ন বক্তব্য প্ৰদান কৰাৰ সময়তে এই বৈঠক হোৱাটো লক্ষ্যণীয়। আজি দিনজোৱা কাৰ্যসূচীৰে ৰাজ্যখনলৈ যোৱা শ্ৰীশ্বাহে বেগুচৰাই আৰু দেহৰি-অন-চনত দলৰ নেতা, কাৰ্যকৰ্তা আৰু নিৰ্বাচিত প্ৰতিনিধিসকলৰ লগত মত বিনিময় কৰিব।

০০০০

ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধুৱে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি প্ৰি কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত থাইলেণ্ডৰ পোৰ্ণপাৱি চ'চুৱংক ২১-১৫, ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত সিন্ধু দক্ষিণ কোৰিয়াৰ এন ছে ৰংৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পুৰুষৰ ডাবলছতো ভাৰতৰ সাত্বিকসাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটো আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ চিউ চিয়াং চেইহ আৰু ৱাং চি লিনৰ যুটীটোক পৰাভূত কৰে।

০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। খেল খন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হব।

ইপিনে, কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত

৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফকৰ জামানে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ জুনাইদ ছিদ্দিকিয়ে ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত আয়োজক দলটোৱে ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ শ্বাহিন আফ্ৰিদি, হৰিছ ৰৌফ আৰু আব্ৰাৰ আহমেদে দুটাকৈ উইকেট দখল কৰে। বৰষুণৰ বাবে এঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত জয়লাভ কৰি পাকিস্তানে ভাৰতৰ লগতে প্ৰতিযোগিতাৰ ছুপাৰ-ফৰ পৰ্যায়লৈ প্ৰৱেশ কৰিছে। ইপিনে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০

সমাপ্ত